**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। সৰুপথাৰত আজি ৭২ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কাৰ্যসূচী।

২। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিজেপি আৰু কংগ্ৰেছকে ধৰি ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি।

৩। অহা ৩১ জানুৱাৰীৰ ভিতৰত সকলো ছাত্ৰ-ছাত্ৰীৰে অপাৰ পৰিচয় পত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ জিলা শিক্ষা বিষয়াক ৰাজ্য চৰকাৰৰ নিৰ্দেশ।

৪। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত আজি পুৱা ৫ দশমিক ১ প্ৰাবল্যৰ মজলীয়া ভূমিকম্পৰ জোকাৰণি অনুভূত।

*আৰু*

৫। গুৱাহাটীৰ অসম গ্ৰন্থ মেলাত আজি আকাশবাণীৰ বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান।

০০০০০০

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই আজি সৰুপথাৰত ৭২ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে সৰুপথাৰ বিধানসভা সমষ্টিৰ ২৩ হাজাৰ ৭৫৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মহিলা উদ্যমিতা অভিযানৰ ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰিব। ডº শৰ্মাই সৰুপথাৰত ১২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্প উদ্বোধনৰ লগতে বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন, বৰপথাৰ শিশু উদ্যান আৰু গেলাবিল আৰু দুবৰণি পথ উদ্বোধন কৰিব। তেওঁ লগতে অসমমালাৰ অধীনত ২৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া বৰপথাৰ-গোলাঘাট সংযোগী পথৰ প্ৰথম পৰ্যায় আৰু মিছামাৰী-বিলপথাৰ তথা অভংপথাৰ-শ্যামগাঁও মথাউৰিৰ আধাৰশিলা স্থাপন কৰিব। আজি দিনৰ ১ বজাত লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্পত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী অজন্তা নেওগ, কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত থাকিব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মঙলদৈ বিধানসভা সমষ্টিৰ মহিলা আত্মসহায় গোটৰ মুঠ ৩১ হাজাৰ ১৭ গৰাকী মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰিব। মঙলদৈৰ পুনিয়াত দৰং চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নিৰ্মাণস্থলীত আয়োজন কৰা এই কাৰ্যসূচীত দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া, বিধায়ক বসন্ত দাস আৰু ভালেসংখ্যক বিশিষ্ট লোক উপস্থিত থাকিব।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিজেপি আৰু কংগ্ৰেছকে ধৰি ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পাইছে। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপিয়ে আজিৰেপৰা ৰাজ্যজুৰি দেৱাল লিখন কাৰ্যসূচীৰ আয়োজন কৰিছে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাৰ কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত এই দেৱাল লিখন কাৰ্যসূচী শুভাৰম্ভ কৰিব। এই কাৰ্যসূচীত বিজেপিৰ সাংসদ মন্ত্ৰী, বিধায়ক, ৰাজ্যিক মৰ্চাৰ সভাপতি, জিলা পৰিষদৰ সদস্যকে ধৰি সকলো কাৰ্যকৰী সদস্যই অংশ ল'ব। মুখ্যমন্ত্ৰী ডº শৰ্মাই সমাগত বিধানসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ ১০৩ টা সমষ্টিত জয়ী হোৱাৰ সম্ভাৱনা আছে বুলি সাংবাদিকৰ আগত প্ৰকাশ

কৰিছে। তেওঁ এইক্ষেত্ৰত ৰাজ্যৰ মহিলাসকলে বিশেষ ভূমিকা পালন কৰিব বুলি উল্লেখ কৰি বিজেপিয়ে ৰাজ্যৰ মহিলাসকলক উত্তৰণৰ এটা বিশেষ পৰ্যায়লৈ লৈ গৈছে বুলি মন্তব্য কৰে।

বাইট

অসম প্ৰদেশ বিজেপিৰ ২০২৬ৰ বিধানসভা নিৰ্বাচন প্ৰৱন্ধন সমিতিৰ আহ্বায়ক তথা লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱাই সমাগত বিধানসভা নিৰ্বাচনৰ বাবে দলটো সম্পূৰ্ণৰূপে সাজু বুলি মন্তব্য কৰিছে। বশিষ্ঠৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি এখন সংবাদমেলত শ্ৰীবৰুৱাই ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টি আৰু পঞ্চায়তত বিজেপিৰ নিৰ্বাচন প্ৰৱন্ধন সমিতি গঠন কৰা হৈছে বুলি জানিবলৈ দিয়ে।

ইপিনে, সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তত গৈ দলৰ সাংগঠনিক ভেটি সুদৃঢ় কৰাত গুৰুত্ব দিছে। শ্ৰী গগৈয়ে কালি ঢকুৱাখনাত যুৱ কংগ্ৰেছে আয়োজন কৰা এটা বিশেষ কাৰ্যসূচীত অংশ লয়। তেওঁ ঢকুৱাখনা মিনি ষ্টেডিয়ামৰ পৰা প্ৰায় দুই কিলোমিটাৰ এটা পদযাত্ৰাত অংশ লয়। এই পদযাত্ৰাত লখিমপুৰৰ প্ৰাক্তন বিধায়ক ঘন বৰুৱা, যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক জুবেৰ এনাম মজুমদাৰকে ধৰি দলটোৰ ভালেসংখ্যক নেতাকৰ্মীয়ে অংশগ্ৰহণ কৰে।

০০০০০০

ৰাজ্য চৰকাৰে অহা ৩১ জানুৱাৰীৰ ভিতৰত সকলো ছাত্ৰ-ছাত্ৰীৰে APAAR পৰিচয় পত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ জিলা শিক্ষা বিষয়াসকলক নিৰ্দেশ দিছে। সমগ্ৰ শিক্ষা, অসমৰ মিছন সঞ্চালকৰ কাৰ্যালয়ে এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশত উল্লেখ কৰা অনুসৰি বিগত বৰ্ষৰ ৩১ ডিচেম্বৰ পৰ্যন্ত ৭৯ শতাংশ ছাত্ৰ-ছাত্ৰীৰ APAAR পৰিচয় পত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। আধাৰ কাৰ্ড থকা ১১ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও অপাৰ পৰিচয় পত্ৰৰ বাবে আবেদন কৰা নাই। ইপিনে, আধাৰকাৰ্ড নথকা ১২ শতাংশ ছাত্ৰ-ছাত্ৰীৰ APAAR পৰিচয় পত্ৰত নাম সন্নিবিষ্ট কৰাটো প্ৰত্যাহ্বানস্বৰূপ হৈ পৰিছে। সমগ্ৰ শিক্ষা, অসমৰ মিছন সঞ্চালকে শিক্ষা বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত, সমগ্ৰ শিক্ষা, অসমৰ জিলা মিছন সমন্বয়ক, বিদ্যালয় পৰিদৰ্শক আৰু জিলা শিক্ষা বিষয়ালৈ এই সন্দৰ্ভত জাননী জাৰি কৰিছে। জাননীৰ সৈতে আধাৰ আৰু APAAR পৰিচয় পত্ৰ নথকা ছাত্ৰ-ছাত্ৰীৰ একোখনকৈ তালিকা গাঁথি দিয়া হৈছে। উল্লেখযোগ্য যে APAAR পৰিচয় পত্ৰ হৈছে ৰাষ্ট্ৰীয় শিক্ষা সংস্কাৰ পৰিকাঠামো, যাৰ জৰিয়তে প্ৰতিগৰাকী শিক্ষাৰ্থীৰ জীৱনজোৰা ডিজিটেল শৈক্ষিক পৰিচয় সৃষ্টিৰ লক্ষ্যৰে শিক্ষাৰ্থীসকলক ১২ টা সংখ্যাযুক্ত একোটাকৈ ডিজিটেল পৰিচয় প্ৰদান কৰা হ'ব।

০০০০০০

ডিব্ৰুগড় জিলাৰ টিংখাঙৰ টিপমীয়া ধোৱাপথাৰ বৰনামঘৰ প্ৰাংগণত ৩ জানুৱাৰীৰ পৰা অনুষ্ঠিত মৃদংগিয়া গায়ন-বায়ন সংস্থাৰ দ্বিতীয় দ্বিবাৰ্ষিক ৰাজ্যিক অধিবেশনত কালি মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে। শ্ৰীসোণোৱালে মৃদংগ বায়নৰ জৰিয়তে অসমৰ সংস্কৃতিৰ বৰপথাৰখন চহকী কৰা তথা নতুন প্ৰজন্মক জাতীয় সংস্কৃতি চৰ্চা আৰু প্ৰসাৰৰ ক্ষেত্ৰত দায়বদ্ধ কৰি তোলাৰ বাবে অনুপ্ৰাণিত কৰি অহা মৃদংগিয়া গায়ন-বায়ন সংস্থাৰ শলাগ লয়। তেওঁ কয়, যে অসমৰ সাংস্কৃতিক জীৱনৰ অবিচ্ছেদ্য অংগ লোকবাদ্যসমূহৰ অন্যতম মৃদংগৰ সাধনা আৰু প্ৰসাৰত মৃদংগিয়া গায়ন-বায়ন সংস্থাই বিশেষ ভূমিকা পালন কৰি আহিছে। তেওঁ নতুন প্ৰজন্মই এই সংস্কৃতিক আঁকোৱালি লোৱা প্ৰত্যক্ষ কৰি আনন্দ প্ৰকাশ কৰে।

**বাইট**

অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, সাংস্কৃতিক মন্ত্ৰী তথা স্থানীয় বিধায়ক বিমল বৰা আৰু শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ডঃ পিতাম্বৰ দেৱগোস্বামী উপস্থিত থাকে।

০০০০০০

অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত আজি পুৱা ৪ বাজি ১৭ মিনিটত ৫ দশমিক ১ প্ৰাবল্যৰ মজলীয়া ভূমিকম্পই জোকাৰি যায়। ভূমিকম্পৰ অভিকেন্দ্ৰ মৰিগাঁও জিলাৰ ধিং অঞ্চলত ভূ-পৃষ্ঠৰ পৰা ৫০ কিলোমিটাৰ গভীৰত বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ জোকাৰণি বাংলাদেশ, ভূটান, নেপালতো অনুভূত হয়। অৱশ্যে এই ভূমিকম্পত বৰ্তমানলৈ ধন-জনৰ কোনো ক্ষয়-ক্ষতিৰ বাতৰি পোৱা নাই।

০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাত আজি দিনৰ আঢ়ৈ বজাত অসমীয়া নাট্য **আন্দোলন ঃ পৰম্পৰা আৰু বিৱৰ্তন** শীৰ্ষক আলোচনা সত্ৰ অনুষ্ঠিত হ'ব। বিশিষ্ট নাট্যকাৰ, নাট পৰিচালক দুলাল ৰয়ে এই আলোচনা সত্ৰ উদ্বোধন কৰিব। নাট্যকাৰ তথা নাট পৰিচালক জিতেন শৰ্মাই পৰিচালনা কৰিবলগীয়া এই আলোচনা সত্ৰত নাট্যকাৰ কৰুণা ডেকা, নাট পৰিচালক মাণিক আহমেদ, লেখক-নাট সমালোচক সঞ্জীৱ কুমাৰ শৰ্মা, লেখক-অধ্যাপক ড০ মৃণালজ্যোতি গোস্বামী আৰু লেখক তথা শিক্ষণ মহাবিদ্যালয় চিৰাঙৰ অধ্যক্ষ ড০ ছৈয়দা নাছিফা ইছলাম ৰাজবংশী আলোচক অতিথি হিচাপে উপস্থিত থাকিব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ শিশু শিল্পী, চেমনীয়া শাখা, যুৱ বাণী তথা সাধাৰণ শাখাৰ কণ্ঠশিল্পী, ঘোষক, ঘোষিকা, বাতৰি পৰিৱেশকসকলে বাৰেৰহণীয় অনুষ্ঠান পৰিৱেশন কৰিব।

গ্ৰন্থমেলাৰ বাকৰিত আজি সন্ধিয়া ওড়িয়া সাহিত্যৰ বিশিষ্ট সাহিত্যিক পাৰমিতা শতপথীৰ সৈতে অন্তৰংগ আলাপো অনুষ্ঠিত হ'ব।

০০০০০০

চৰাইদেউ জিলাৰ দিচাংপানীত যোৱা ২ জানুৱাৰীৰ অনুষ্ঠিত **সোণাৰু কাঞ্চন কৃষ্ণচূড়া মহোৎসৱৰ** কালি সামৰণি পৰে। অন্তিম দিনাৰ সাংস্কৃতিক অনুষ্ঠানত বোম্বে ভিকিংছৰ জনপ্ৰিয় কণ্ঠশিল্পী নীৰজ শ্ৰীধৰ আৰু গৰিসা নাথে গীত পৰিৱেশন কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি কণ্ঠশিল্পী নীৰজ শ্ৰীধৰে নিজৰ মনৰ ভাৱ এইদৰে প্ৰকাশ কৰে–-

**বাইট (শ্ৰীধৰ)**

কালিৰ এই অনুষ্ঠানতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গক মৰণোত্তৰভাৱে **সোণাৰু কাঞ্চন কৃষ্ণচূড়া** বঁটা প্ৰদান কৰা হয়। অভিনেতা ৰবি শৰ্মাক **অসম সাহসী কণ্ঠ বঁটা** আৰু ডা০ অমিত বৰুৱাক **মানৱ দৰদী** বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে প্ৰকৃতিপ্ৰেমী যুৱক অনু পাটকাইৰ নেতৃত্বত শিল্পীসমাজ, সাংবাদিক তথা সচেতন নাগৰিকৰ প্ৰচেষ্টাত ২০১৯ চনৰ পৰা এই মহোৎসৱ অনুষ্ঠিত কৰা অহা হৈছে।

০০০০০০

ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান, IIMC-য়ে ইয়াৰ ৬০ বছৰীয়া যাত্ৰাত নতুন শৈক্ষিক মাইলৰ খুটি হিচাপে PHD পাঠ্যক্ৰম আৰম্ভ কৰিছে। এইবাৰ প্ৰথমবাৰৰ বাবে সংবাদমাধ্যম আৰু গণসংযোগ অধ্যয়নত PHD-ৰ বাবে নামভৰ্তি কৰা হ'ব। সাংবাদিকতা, ডিজিটেল মিডিয়া আৰু কৌশলগত যোগাযোগৰ গৱেষণাৰ বাবে IIMC-য়ে এই ডক্টৰেট ডিগ্ৰী প্ৰদানৰ ব্যৱস্থা কৰিছে।

০০০০০০

অসম চাহ কৰ্মচাৰী সংঘৰ ডিব্ৰুগড় শাখাৰ ৬৩ সংখ্যক ত্ৰিবাৰ্ষিক অধিৱেশন ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত কালি অনুষ্ঠিত হয়। ডিব্ৰুগড় শাখাৰ সভাপতি নৰকুমাৰ বৰুৱাই সংঘৰ পতাকা উত্তোলন কৰাৰ লগতে ডিব্ৰুগড় শাখাৰ সম্পাদক নবীন চন্দ্ৰ কেওটে স্মৃতি তৰ্পণ কৰে। সভাত পৰৱৰ্তী কাৰ্যকালৰ বাবে নৰকুমাৰ বৰুৱা সভাপতি, খগেন দত্ত আৰু সুদেশ নন্দক উপ-সভাপতিৰ লগতে ৰাতুল কাকতিক সম্পাদক আৰু বাসুদেৱ ভট্টাচাৰ্যক কোষাধ্যক্ষ হিচাপে নিৰ্বাচন কৰা হয়। এই অনুষ্ঠানতে বহুকেইগৰাকী ব্যক্তিক সম্বৰ্ধনাও জ্ঞাপন কৰা হয়।

০০০০০০

ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিকোলাছ মাডুৰোক আমেৰিকালৈ ধৰি নিয়াৰ পাছত দেশখন আমেৰিকাই পৰিচালনা কৰিব বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ঘোষণা কৰিছে। **অসমীয়া প্ৰতিদিন আৰু দি আচাম ট্ৰিবিউন** কাকতে এই বাতৰিক শীৰ্ষস্থান দিছে। একেটা বাতৰিৰে **দৈনিক জনমভূমি** কাকতৰ শিৰোনাম- ৩০৩ নিযুত বেৰল তেলত চকু ট্ৰাম্পৰ।

**দৈনিক অগ্ৰদূত আৰু দৈনিক অসম** কাকতে ব্ৰহ্মপুত্ৰৰ তলেৰে গহপুৰ-নুমলীগড় সংযোগী অভিলাষী সুৰংগ পথ নিৰ্মাণত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

সমাগত বিধানসভা নিৰ্বাচনত অসমৰ কংগ্ৰেছ প্ৰাৰ্থী বাছনিৰ দায়িত্ব প্ৰিয়ংকা গান্ধীক অৰ্পন কৰাৰ বাতৰি **দ্য টাইমছ অব ইণ্ডিয়া** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দিল্লী আৰু দিচপুৰৰ একাধিক শীৰ্ষ সূত্ৰৰ আনুষ্ঠানিক তথ্য অনুসৰি সমাগত ৰঙালী বিহুৰ পূৰ্বেই অসম বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। অৱশ্যে নিৰ্বাচন আয়োগে আনুষ্ঠানিক অধিসূচনা ঘোষণা কৰিলেহে বিষয়টো স্পষ্ট হ'ব। এয়া **অসমীয়া খবৰ** কাকতৰ বাতৰি। এই নিৰ্বাচনত বিজেপি ১০৩ টা সমষ্টিতে জয়ী হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ সন্মুখত মন্তব্য কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** আৰু **দ্য ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

অহা ২৫ জানুৱাৰীত গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত ভাৰত আৰু নিউজিলেণ্ডৰ মাজত টি-২০ মেচ অনুষ্ঠিত হ'ব। **আমাৰ অসম** কাকতে এই বাতৰিক প্ৰথম পৃষ্ঠাত শীৰ্ষ স্থান দিছে।

এতিয়া আহক, পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

দক্ষিণ কামৰূপ জিলাৰ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত ঐতিহাসিক চানডুবি বিলৰ পাৰত যোৱা ১ জানুৱাৰীৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত যোড়শ চানডুবি মহোৎসৱৰ আজি সামৰণি পৰিব। পৰ্যটনথলী হিচাপে গঢ় লৈ উঠা চানডুবিত প্ৰতিবছৰে নৱবৰ্ষ উপলক্ষে বহু পৰ্যটক আৰু বনভোজ দলৰ আগমন ঘটে। মহোৎসৱথলীত বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি, হস্তশিল্প আৰু খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰাৰ লগতে সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে ঘন কুঁৱলী পৰাৰ আৰু মেঘালয়ৰ কেতবোৰ স্থানত বিজুলী-ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**